ভাৰতীয় জনতা পাৰ্টি

কেন্দ্ৰীয় কাৰ্য্যলয়

১১,অশোক ৰোড, নতুন দিল্লী-১১০০০১

দূৰ্ভাষ নং - ২৩০০৫৭০০,ফেক্স -২৩০০৫৭৮৭

দিনাংক -৩ **ফেব্ৰুৱাৰী ২০১৪**

**বিজেপি ৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ শ্ৰীমতী নিৰ্মলা চিথাৰমন দ্বাৰা জাৰী প্ৰেছ বিজ্ঞপ্তি**

কংগ্ৰেছ দ'লে বিনা কোনো দ্বিতীয় চিন্তা কৰি, সুযোগ পালে শ্ৰী নৰেন্দ্ৰ মোডী, গুজৰাটৰ বি জে পি আৰু গুজৰাটৰ চৰকাৰক লক্ষ্য কৰি লয় । এইবাৰো তেওঁলোকে নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধে এনে বিষয় উত্থাপন কৰিছে যাক ভালদৰে চালে কংগ্ৰেছৰহে অসফলতা পৰিলক্ষিত কৰোৱায় ।

উপাৰ্জন আৰু খৰচৰ ভিত্তিত দৰিদ্ৰতাৰ সীমা নিৰ্ধাৰণ কৰা দায়িত্ব সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ । আনকি কেন্দ্ৰীয় চৰকাৰে যদি হাৰ পুনৰ নিৰ্ধাৰণ কৰে, তেতিয়া ৰাজ্য চৰকাৰৰো ইয়াৰ অনুমোদনৰ অধিকাৰ নাই, যেতিয়ালৈকে কেন্দ্ৰ জড়িত বিভাগে ইয়াৰ আদেশ নিদিয়ে । চহৰৰ বাবে ৫০১ টকা প্ৰতি মাহ আৰু গাৱঁৰ বাবে ৩০১ টকা প্ৰতি মাহে উপাৰ্জনৰ বিচাৰ মান ২০০৪ চনত ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰিছিল, যি কথা গুজৰাট চৰকাৰৰ খাদ্য আৰু যোগান বিভাগে ভাৰত চৰকাৰক জনাইছিল । গুজৰাট চৰকাৰৰ দ্বাৰা এই বিচাৰ মান নিৰ্ধাৰণ কৰা হোৱা নাছিল । দৰিদ্ৰ ৰেখা নিৰ্ধাৰণ কেৱল উপাৰ্জনৰ ভিত্তিত নহয়, আনকি অন্যান্য সম্পত্তি যেনে - টেলিভিচন, ৰেডিঅ' অথবা চাইকেলৰ ওপৰতো নিৰ্ধাৰণ কৰে । স্পষ্টকৈ ক'ব পাৰি যে দৰিদ্ৰৰ সীমাৰেখা নিৰ্ধাৰণ সম্পত্তিৰ ভিত্তিতো হয় ।

কেন্দ্ৰীয় চৰকাৰে সম্পত্তিৰ ভিত্তিত দৰিদ্ৰৰ সীমাৰেখা নিৰ্ধাৰণ কৰাৰ মতে গুজৰাটৰ ২১ লাখ পৰিয়াল দৰিদ্ৰৰ সীমাৰেখাৰ তলত অন্তৰ্ভূক্ত । স্পষ্টভাৱে বুজিব পাৰি যে এই শিতানত সকলো দৰিদ্ৰ লোকক অন্তৰ্ভূক্ত কৰা হোৱা নাই । গুজৰাট চৰকাৰে নিজৰ খৰছত বিচাৰ মান উন্নত কৰি আৰু ১১ লাখ পৰিয়াল দৰিদ্ৰৰ সীমাৰেখাৰ অন্তৰ্ভূক্ত কৰাইছে । সেই ১১ লাখ পৰিয়ালে গুজৰাট চৰকাৰৰ পৰা সম্পূৰ্ণ সাহাৰ্য্যিত মূল্যত খাদ্য সামগ্ৰী লাভ কৰে । ৩২ লাখ পৰিয়ালৰ বিপৰীতে কেৱল ২১ লাখ পৰিয়ালক কেন্দ্ৰীয় চৰকাৰে সাহাৰ্য্য প্ৰদান কৰিছে । গুজৰাট চৰকাৰৰ এনে দৰিদ্ৰতামুক্ত অভিযানৰ বাবে লোৱা পদক্ষেপক উচ্চতম ন্যায়ালয়েও প্ৰশংসা কৰিছে ।

২০০৪ চনৰ পৰা গুজৰাট চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ বহুতো পত্ৰত দৰিদ্ৰতা নিৰ্ধাৰণ কৰা বিচাৰ মান শীঘ্ৰে পুনৰ বিচাৰ কৰাৰ আবেদনৰ আজিলৈকে কোনো মনযোগ দিয়া হোৱা নাই । এই বিচাৰৰ ওপৰত কমিটিৰ পাছত কমিটি গঠন কৰা হ'ল কিন্তু ১০ বছৰৰ পাছতো বিচাৰ মান সলনি নহ'ল । নৰেন্দ্ৰ মোডীয়ে পৰিকল্পনা কমিছনক টানি ধৰা কথাষাৰ, কংগ্ৰেছ দ'লে যদি গম পাইছে, তেন্তে তেওঁলোকে গম পাব লাগিছিল যে বিগত ১০ বছৰ ধৰি দি থকা আবেদনৰ আজিলৈকে স্বীকৃতি দিয়া নাই ।

কংগ্ৰেছ দ'লে যি নিষ্ঠুৰ আচৰণৰ ভাৱনা লৈ গুজৰাটৰ মুখ্যমন্ত্ৰীক সমালোচনা কৰাৰ আৰম্ভনি কৰিছে, আৰু তেওঁলোকে এইয়াও পাহৰি গৈছে যে এনে কাম কৰাৰ দায়িত্ব তেওঁলোকৰহে । বি জে পি আশাবাদী যে গুজৰাট চৰকাৰে কেন্দ্ৰীয় চৰকাৰক বিচাৰমান পুন: বিবেচনা কৰাৰ বাবে লিখা পত্ৰৰ তাৰিখ সমূহ উজাগৰ কৰিলে, মোৰ কথা স্পষ্টভাৱে প্ৰমাণিত হ'ব ।

<u>ইংগিতৰ অধিকাৰ আৰু মিছা কথা ৰখাৰ অধিকাৰ</u>

আম আদমী পাৰ্টিয়ে স্বাৰ্থপৰভাৱে কাম কৰা পৰিলক্ষিত হৈছে, আমি ভাৰিছো যে তেওঁলোকে নিজকে কিছুমান অধিকাৰ দি লৈছে । এইয়া এনে অধিকাৰ যি আমাৰ সংবিধানে দেশৰ জনসাধাৰণক দিয়া নাই । বিকল্প ৰাজনীতিৰ ইংগিত দিয়াৰ মৌলিক অধিকাৰ আৰু বিৰোধী দ'লৰ বিৰুদ্ধে মিছা অভিযোগ অনাৰ নামত তেওঁলোকে নিজকে এই অধিকৰ দিছে । বিশ্বাসযোগ্যতা, স্বীকৃতি আৰু তৎক্ষণাত মনযোগ লাভ কৰাৰ চেষ্টাত তেওঁলোকে বি জে পি ৰ জেষ্ঠ নেতাসকলৰ নাম লওঁতে সংকোচ কৰা নাই । কিন্তু এইয়া সম্পূৰ্নভাৱে গৰিহনাৰ যোগ্য । যিহেতু যি সকল আম আদমী পাৰ্টিৰ নেতাই বি জে পি ৰ নেতাৰ নাম লয় তেওঁলোকে ইয়াৰ লগত উপযুক্ত তথ্য দিব নোৱাৰে, অৰ্থাৎ মিছা প্ৰচাৰ, বেয়া ইংগিত আৰু সু-নাম নষ্ট কৰাৰ অভিযোগ নিকাভাৱে পৰিলক্ষিত হৈছে ।

আম আদমী পাৰ্টি, যি কংগ্ৰেছৰ পৰা সহযোগ লওঁতে সংকোচবোধ নকৰিলে যাক তেওঁলোকে 'চোৰ' বুলি কৈছিল আৰু দিল্লী মুখ্যমন্ত্ৰীয়ে নিজৰ সন্তানৰ শপত খাই কৈছিল যে কংগ্ৰেছ দ'লৰ পৰা সহযোগ লৈ তেওঁলোকে চৰকাৰ গঠন নকৰে । আৰু আজি তেওঁলোক প্ৰত্যেক দিশত বিপৰীত পথ বাছি লৈছে ।

১/ তেওঁলোক কংগ্ৰেছৰ সহযোগত শাসনত আছে ।

২/ দূৰ্নীতিগ্ৰস্ত তালিকাত শীলা দিক্সিতৰ নাম অন্তৰ্ভূক্ত কৰোৱাৰ সাহস নাই ।

৩/ আজিলৈকে কংগ্ৰেছ আৰু তেওঁৰ নেতৃত্বৰ বিৰুদ্ধে আম আদমী পাৰ্টিয়ে কোনো পদক্ষেপ লোৱা নাই ।

৪/ এতিয়া তেওঁলোকে জনসাধাৰণৰ পৰা তথ্য বিচাৰিছে । তাৰ অৰ্থ হ'ল ক্ষমতাত অহাৰ আগতে তেওঁলোকৰ অভিযোগ তথ্যৰ ভিত্তিত নাছিল ।

৫/ দিল্লীত  বিদ্যুতৰ মাচুল বৃদ্ধি পাইছে । আম আদমী পাৰ্টিয়ে দিয়া প্ৰতিশ্ৰুতি ক'ত ?

৬/ গাখীৰৰৰ সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছে । কংগ্ৰেছ আৰু আম আদমী পাৰ্টি দুয়োয়ে ইয়াৰ উত্তৰ দিব লাগিব ।

৭/ ওগাগুাৰ মূলৰ লোকৰ ওপৰত তালাচী চলোৱা আম আদমী পাৰ্টিৰ নেতা ক'ত ? উত্তৰ পূৰ্ৰ ছাত্ৰৰ মৃত্যুক লৈ আমি কৰা প্ৰতিবাদত তেওঁলোকৰ অনুপস্থিতিৰ কাৰণ কি ?

বি জে পি য়ে আম আদমী পাৰ্টিক মনত পেলাই দিব বিচাৰিছে যে তেওঁলোক দিল্লীৰ বিভিন্ন পৰিচালনাৰ ব্যৱস্থা লগত লৈ শাসন কৰাৰ ওপৰত মনযোগ দিব লাগে । প্ৰত্যেক দিনাই সংবাদমেল পাতি তথ্যবিহীন তালিকা প্ৰস্তুত কৰাটোয়ে ভাল শাসন কৰা নুবুজায় । এই চৰকাৰ ক্ষমতাত অহাৰ পাছত দিল্লীৰ জনসাধাৰণে বেছিকৈ হতাশাতহে ভূগিব লগা হৈছে ।

অৰুন কুমাৰ জৈন

(কাৰ্য্যলয় সম্পাদক)